# 2017

## ASSAMESE

### ( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) মুক্তাৰাম বৰুৱা কোন?

(খ) লেখকে সৌমাৰ পীঠলৈ যাবলৈ ওলাওঁতে জাহাজঘাট পাবলৈ কোনে গাড়ীখন দিলে?

(গ) লেখক লম্বোদৰ বৰাই জীৱনচৰিত লিখিবলৈ কি আৰ্হি ল'বলৈ কৈছে?

(ঘ) 'কৃষ্ণ' শব্দৰ পাৰিভাষিক অৰ্থ কি?

(ঙ) বুদ্ধদেৱৰ চিকিৎসক 'জীৱক' প্ৰাচীন ভাৰতৰ কোনখন বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল?

(চ) প্ৰাচীন গ্ৰীচৰ কি ৰকমৰ শিক্ষা-প্ৰণালী আছিল ?

(ছ) জেনেভা বিশ্ববিদ্যালয়ত আমিয়েল প্ৰথমে কি বিষয়ৰ অধ্যাপক নিযুক্ত হৈছিল ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) লেখকে সৌমাৰ পীঠলৈ যাত্ৰা কৰিবলৈ ঠিক কৰা দিনটোৰ তাৎপৰ্য লিখা।

(খ) ৰোম দেশৰ শিক্ষা-পদ্ধতিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) সৌন্দৰ্যবোধ যে সদায় সম্বন্ধবাচক তোমাৰ নিৰ্দিষ্ট পাঠটোৰ পৰা দুটা উদাহৰণ দিয়া।

(ঘ) আমিয়েলৰ কৰুণ অৱস্থাৰ মূল কাৰণ কি, লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) প্ৰাচীন কামৰূপৰ পীঠ কেইটা? পীঠসমূহৰ সীমা আৰু তাৰ অন্তৰ্গত অঞ্চলৰ উল্লেখ কৰা।

(খ) "আনন্দৰাম বৰুৱা অসমৰো আচল বন্ধু।" কথাষাৰ ব্যাখ্যা কৰা।

(গ) হেমচন্দ্ৰ গোস্বামীৰ মতে আজিৰ শিক্ষা-ব্যৱস্থাই কিয় নতুন তত্ত্ব বাহিৰ কৰিব পৰা ছাত্ৰ বেছিকৈ উলিয়াব পৰা নাই, সেই বিষয়ে চমু আলোচনা কৰা।

(ঘ) "সৌন্দৰ্যৰ স্থিতি নাই, ব্যাপ্তিহে আছে।" কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঙ) আমিয়েলৰ 'অন্তঃপ্ৰাণৰ ডায়েৰী' (Journal Intime)-ৰ বিষয়ে এটি চমু সমালোচনা আগবঢ়োৱা।

৪। (ক) হেমচন্দ্ৰ বৰুৱাই তেওঁৰ সময়ৰ অসমৰ সমাজজীৱন সংস্কাৰ কৰিবলৈ হাতত লোৱা দুটা পদক্ষেপ উল্লেখ কৰা আৰু তেওঁৰ আত্মকথাৰ আলমত সেইবোৰৰ গুৰুত্ব কেনে, আলোচনা কৰা। ১০

*অথবা*

(খ) "বেদত পৰমব্ৰহ্মৰ স্বৰূপ লক্ষণ নিৰ্দেশ কৰিছে—সৎ, চিৎ, আনন্দ।" এই কথাষাৰ লক্ষ্মীনাথ বেজবৰুৱাৰ 'শ্ৰীকৃষ্ণতত্ত্ব' পাঠৰ আলমত ব্যাখ্যা কৰা।

৫। (ক) প্ৰাচীন ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয় কেইখন আৰু কি কি? সেইবোৰৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে এটি টোকা লিখা। ১০

*অথবা*

(খ) প্ৰাকৃতিক জগত আৰু আধ্যাত্মিক জগতৰ সৌন্দৰ্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি দুয়োবিধৰ মাজত থকা মিল-অমিলসমূহ আলোচনা কৰা।

৬। (ক) "আমিয়েলৰ ভূমাস্পৃহাকো ইউৰোপীয় সমালোচকে শলাগিব পৰা নাই। এজনে কৈছে ই 'আদৰ্শৰ ব্যাধি' (malady of the ideal), আন এজনে কৈছে ই 'সম্পূৰ্ণ অসাৰ, নিৰৰ্থক' (perfectly futile)." বাণীকান্ত কাকতিৰ আমিয়েলৰ জ্ঞানচৰ্চা সম্পৰ্কত কৰা মন্তব্যটো আলোচনা কৰা। ১০

*অথবা*

(খ) "হেমচন্দ্ৰই কাপ ললেই সি কটাৰী হয়, গুণাভিৰামৰ কাপে মাৰেও আৰু তাৰেও।" তীৰ্থনাথ শৰ্মাৰ এই মন্তব্যটোৰ সত্যতা হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ ৰচনাৰ আলমত প্ৰতিপন্ন কৰা।

★★★